প্ৰকাশ পাবৰ যোগ্য

ভাৰতৰ উচ্চতম ন্যায়ালয়

দেৱানী আপীল অধিকাৰক্ষেত্ৰ

দেৱানী আপীল নম্বৰ- ২৩৯৪/২০১৯

(বিশেষ অনুমতি আৱেদন (দেৱানী) নম্বৰ- ৩০৯২৪/২০১৮)

ৰামকৃষ্ণ মিছন ও অন্যান্য

---আপীলকাৰীগণ

-বনাম-

কাগো কুন্যা ও অন্যান্য

---প্ৰতিপক্ষগণ

**ৰায়**

**ন্যায়াধীশ ড° ধনঞ্জয় ৱাই চন্দ্ৰচূড়**

১. অনুমতি প্ৰদান কৰা হ'ল।

২. গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে জাৰি কৰা ৰায়ৰ বিৰুদ্ধে দাখিল কৰা লেখ আপীলত উক্ত ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে প্ৰদান কৰা ৰায়ৰ পৰা এই আপীল উদ্ভৱ হৈছে। সাত (৭) ছেপ্তেম্বৰ ২০১৬ তাৰিখে প্ৰদান কৰা ৰায়ত, এজনীয়া বিচাৰপীঠে এইটো নিৰ্ধাৰণ কৰিছিল যে ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ১২ অনুসৰি ৰামকৃষ্ণ মিছনক 'ৰাষ্ট্ৰ' হিচাপে গণ্য কৰিব পাৰি। খণ্ড বিচাৰপীঠে আপীলত উল্লেখ কৰিছিল যে আক্ষৰিক অৰ্থত অনুচ্ছেদ ১২ অনুসৰি ৰামকৃষ্ণ মিছন

পৰৱৰ্তী পৃষ্ঠাত

'ৰাষ্ট্ৰ' নহ'বও পাৰে, তথাপিও ইটানগৰস্থিত ইয়াৰ হাস্পতালে ৰাজহুৱা সেৱা আগবঢ়োৱাৰ পৰিপ্ৰেক্ষিতত সংবিধানৰ ২২৬ নং অনুচ্ছেদত উল্লেখিত 'কৰ্তৃপক্ষ' (authority) শব্দৰ বহল ব্যাখ্যাত ই লেখ অধিকাৰক্ষেত্ৰৰ এক্তিয়াৰভুক্ত হ'ব পাৰে।

৩. প্ৰথম প্ৰতিবাদীয়ে যোৱা ১৫ মাৰ্চ ১৯৮০ তাৰিখে ইটানগৰস্থিত ৰামকৃষ্ণ মিছন হাস্পতালত সাধাৰণ কৰ্তব্য কৰ্মী (General duty worker) হিচাপে যোগদান কৰিছিল। ১৯৮০ চনৰ ২৩ জুলাইত এক পত্ৰযোগে তেওঁৰ চাকৰি ১৯৮০ চনৰ ১ আগষ্টৰ পৰা কাৰ্য্যকৰী হোৱাকৈ নিয়মীয়া কৰা হৈছিল। ১৯৮২ চনৰ ৩১ মাৰ্চত প্ৰথম প্ৰতিবাদীক নাৰ্ছিং সহায়কৰ মুখ্য পদলৈ পদোন্নতি দিয়া হৈছিল। তেওঁৰ চাকৰি ১৯৮৪ চনৰ ১৩ এপ্ৰিলত স্থায়ী কৰা হৈছিল। পৰৱৰ্তীকালত ২০০৫ চনৰ ৩১ ডিচেম্বৰত তেওঁক ২০০৫ চনৰ ১ অক্টোবৰৰ পৰা কাৰ্য্যকৰী হোৱাকৈ কাৰ্য্যালয় সহায়ক পদলৈ পদোন্নতি দিয়া হৈছিল।

৪. হস্পিতালখনৰ কৰ্মচাৰীসকলৰ চাকৰিৰ চৰ্তসমূহ সেৱা বিধিসমূহৰ দ্বাৰা পৰিচালিত হয়। সেই বিধিসমূহৰ ভিতৰত ১৮ নং বিধিত চাকৰিৰ পৰা অৱসৰ লোৱা সম্পৰ্কত তলত দিয়া ধৰণে উল্লেখ আছেঃ-

> "১৮. চাকৰি কাল সমাপ্তি (অৱসৰ গ্ৰহণ)
>
> (ক) সাধাৰণতে এজন স্থায়ী কৰ্মচাৰীয়ে ৩৫ বছৰ কাল চাকৰি কৰাৰ পিছত বা তেওঁৰ ৬০ বছৰ বয়সত হস্পিতালত কৰি থকা চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিব। ইয়াৰ উপৰিও কোনো এজন কৰ্মচাৰীয়ে ৩৫ বছৰ চাকৰি কৰা বা তেওঁৰ বয়স ৬০ বছৰ পূৰ্ণ হোৱাৰ পিছতো, যিটো আগতে ঘটে, হস্পিতালৰ পৰিচালনা সমিতিয়ে তেওঁৰ শাৰীৰিক সক্ষমতাৰ ওপৰত ভিত্তি কৰি তেওঁৰ চাকৰিকাল এবাৰত এক (১) বছৰকৈ বৃদ্ধি কৰিব পাৰে।
>
> (খ) কিন্তু কোনো এজন কৰ্মচাৰীয়ে চাকৰিকাল পূৰ্ণ কৰাৰ আগতেওঁ অৱসৰ গ্ৰহণ কৰিব পাৰে যদিহে তেওঁ নিজৰ কৰ্তব্য সম্পাদন কৰাৰ বাবে শাৰীৰিক বা মানসিকভাৱে অক্ষম হয়। উল্লেখযোগ্য যে হস্পিতালৰ পৰিচালনা সমিতিয়ে গঠন

পৰৱৰ্তী পৃষ্ঠাত

কৰি দিয়া 'মেডিকেল বোৰ্ডে' উক্ত কৰ্মচাৰীজনৰ শাৰীৰিক বা মানসিক অক্ষমতা সঠিকভাৱে প্ৰমাণিত কৰিব লাগিব।"

২০১৫ চনৰ ৩১ জানুৱাৰীত প্ৰথম প্ৰতিবাদীক হস্পিতালৰ পৰা জনোৱা হয় যে সেৱা বিধি অনুসৰি ২০১৫ চনৰ ২৪ মাৰ্চত তেওঁৰ চাকৰিকাল ৩৫ বছৰ পূৰ্ণ হোৱাৰ বাবে তেওঁ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিব লাগিব।

৫. প্ৰথম প্ৰতিবাদীয়ে উক্ত বাৰ্তাক প্ৰত্যাহ্বান জনাই গুৱাহাটী উচ্চ ন্যায়ালয়ত সংবিধানৰ ২২৬ নং অনুচ্ছেদ অনুসৰি এখন লেখ আৱেদন দাখিল কৰে আৰু ন্যায়ালয়ৰ পৰা 'ম্যাণ্ডামাছ' (উচ্চ উচ্চতম আদালতৰ পৰা নিম্ন আদালতলৈ দিয়া হুকুম) বিচাৰে যাতে তেওঁক নাৰ্চিং সহায়কৰ মুখ্য পদত নিযুক্তি প্ৰদান কৰা তাৰিখ অৰ্থাৎ ৩১ মাৰ্চ ১৯৮২ৰ পৰা গণনা কৰি ৩৫ বছৰ সম্পূৰ্ণ নোহোৱালৈকে চাকৰি কৰি থকাৰ অনুমতি প্ৰদান কৰা হয়।

৬. আপীলকাৰীসকলে লেখ আৱেদনখনৰ গ্ৰহণযোগ্যতাৰ ক্ষেত্ৰত প্ৰাথমিক আপত্তি দৰ্শায়, কাৰণ অনুচ্ছেদ ১২ অনুসৰি ৰামকৃষ্ণ মিছন আৰু ইয়াৰ হাস্পতাল দুয়োটাই 'ৰাষ্ট্ৰ' নহয় আৰু কোনো ক্ষেত্ৰতে ভাৰতৰ সংবিধানৰ ২২৬ অনুচ্ছেদ অনুসৰি লেখ অধিকাৰক্ষেত্ৰৰ এক্তিয়াৰভুক্ত নহয়।

৭. এজনীয়া বিচাৰপীঠে লেখ আৱেদনখন গ্ৰহণ কৰিছিল। লেখ আৱেদনখনৰ গ্ৰহণযোগ্যতাৰ ওপৰত আপীলকাৰী সকলৰ আপত্তিসমূহ নাকচ কৰি এজনীয়া বিচাৰপীঠে উল্লেখ কৰিছিল যে ১২ নং অনুচ্ছেদ মতে আপীলকাৰীসকল 'ৰাষ্ট্ৰ'ৰ সংজ্ঞাৰ অন্তৰ্ভুক্ত। হাস্পতাল কৰ্তৃপক্ষক যোগ্যতাৰ ভিত্তিত প্ৰথম প্ৰতিবাদীৰ নিযুক্তিৰ তাৰিখ ১৫ মাৰ্চ ১৯৮০ৰ পৰিৱৰ্তে ৩১ মাৰ্চ ১৯৮২ বুলি ধৰি ল'বলৈ নিৰ্দেশ দিয়া হৈছিল।

৮. ইয়াৰ ফলস্বৰূপে, প্ৰথম প্ৰতিবাদীয়ে প্ৰথমে চাকৰিত যোগদান কৰা তাৰিখৰ পৰা গণনা কৰি যি তাৰিখত অৱসৰ গ্ৰহণ কৰিব লগা আছিল সেই তাৰিখৰ পৰা দুবছৰ অধিক কাল চাকৰি কৰাৰ অনুমতি লাভ কৰিছিল। হস্পিতাল কৰ্তৃপক্ষই গণনা কৰি নিৰ্দ্ধাৰণ কৰা অৱসৰ গ্ৰহণৰ তাৰিখৰ ভিত্তিত প্ৰথম প্ৰতিবাদীক তেওঁৰ অন্তিম প্ৰাপ্যসমূহ দিয়া হৈছিল।

পৰৱৰ্তী পৃষ্ঠাত

৯. আপীলকাৰীসকলে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠত দাখিল কৰা লেখ আপীলত কোনো সুফল নাপালে। খণ্ড বিচাৰপীঠে লেখ আপীল প্ৰত্যাখ্যান কৰাৰ সময়ত মুখ্যতঃ দুটা কাৰকৰ ওপৰত আস্থা ৰাখিছিলঃ-

(ক) হাস্পতালখনে ইয়াৰ ব্যয়ৰ এক অংশ 'অনুদান' হিচাপে লাভ কৰি আহিছে আৰু এইখন ৬০খন বিছনাযুক্ত হাস্পতাল, যিবোৰে হাস্পতালখনৰ ৰাজহুৱা দায়িত্ব আৰু কৰ্তব্য থকাটো সাব্যস্ত কৰে; আৰু

(খ) উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে Satyabrata Chakraborty Vs State of Arunachal Pradesh গোচৰটোত দিয়া ৰায়ত উল্লেখ কৰিছিল যে সংবিধানৰ ১২ আৰু ২২৬ নং অনুচ্ছেদ অনুসৰি ৰামকৃষ্ণ মিছন 'অন্যান্য কৰ্তৃপক্ষ'ৰ অন্তৰ্ভুক্ত। উচ্চ ন্যায়ালয়ে মতপোষণ কৰিছিল যে এই ৰায়টো যোৱা ত্ৰিশ বছৰ ধৰি বাহাল আছে আৰু ইয়াক উলংঘন কৰাটো উচিত নহয়। ইয়াৰোপৰি এইটোও মতপোষণ কৰা হৈছিল যে আপীলকাৰীসকলে উক্ত ৰাজ্যখনত এখন ডাঙৰ হাস্পতাল চলাই আছে আৰু ৰাজহুৱা ধন ইয়াৰ পৰিচালনাৰ এক অংশ হিচাপে ব্যৱহাৰ কৰি আহিছে, গতিকে ই লেখ অধিকাৰক্ষেত্ৰৰ এক্তিয়াৰভুক্ত হ'ব। আপীলকাৰীসকলৰ বিৰুদ্ধে হোৱা বিষয়সমূহৰ জবাব দিয়াৰ সময়ত উচ্চ ন্যায়ালয়ে উক্ত আপীল পৰৱৰ্তী সময়ত শুনানিৰ বাবে ৰাখিবলৈ নিৰ্দেশ দিছিল।

১০. এই ন্যায়ালয়ে এই গোচৰৰ বিচাৰকাৰ্য্য গ্ৰহণ কৰোঁতে ২০১৮ চনৰ ১৯ নৱেম্বৰত জাননী জাৰি কৰাৰ নিৰ্দেশ দিয়াৰ লগতে উচ্চ ন্যায়ালয়ে ২০১৮ চনৰ ৬ এপ্ৰিলত জাৰি কৰা ৰায় আৰু আদেশ স্থগিত ৰখাৰ নিৰ্দেশ দিছিল। জাননী জাৰি কৰাৰ আদেশ অনুসৰি ভাৰত চৰকাৰৰ হৈ জনজাতি পৰিক্ৰমা মন্ত্ৰণালয়ে আৰু অৰুণাচল প্ৰদেশ চৰকাৰে প্ৰতি শপতনামা দাখিল কৰিছিল।

১১. উচ্চ ন্যায়ালয়ে লোৱা মতৰ সমৰ্থনত ৰাজ্য চৰকাৰে উল্লেখ কৰে যে–

পৰৱৰ্তী পৃষ্ঠাত

(ক) যিডোখৰ মাটিত ৰামকৃষ্ণ মিছন হস্পিতালখন বনোৱা হৈছিল, সেইডোখৰ মাটি ১৯৮৪ চনৰ ১২ জুলাইত আপীলকাৰীসকলক ৰেহাই হাৰত আবণ্টন দিয়া হৈছিল;

(খ) পৰৱৰ্তী সময়ত ২০০৫ চনৰ ৪ মে’ত অতিৰিক্ত ৪.৬৬ একৰ মাটি ৰেহাই হাৰত আবণ্টন দিয়া হৈছিল; আৰু

(গ) হাস্পতালখনে ৰাজ্য চৰকাৰৰ পৰা অনুদান লাভ কৰি থাকে।

১২. যিহেতু জনজাতি পৰিক্ৰমা মন্ত্ৰণালয় এই আপীলৰ বিষয়বস্তুৰ লগত কোনো প্ৰকাৰে জড়িত নহয়, গতিকে ভাৰত চৰকাৰে দাখিল কৰা প্ৰতি শপতনামা বিবেচনা কৰাৰ কোনো প্ৰয়োজন নাই।

১৩. আপীলকাৰীসকলৰ হকে জ্যেষ্ঠ অধিবক্তাদ্বয় ড° অভিষেক মনু সিংভী আৰু এম. কে. বিশ্বনাথনে যুক্তি প্ৰদৰ্শন কৰি কয় যে এই গোচৰত উষ্চ ন্যায়ালয়ে Andi Mukta Sadguru Shree Vandas Swami Suvarna Jayanti Mahotsav Smarak Trust Vs. V. R. Rudani গোচৰত থকা তথ্য আৰু তাত প্ৰয়োগ কৰা আইনৰ সুস্পষ্ট পাৰ্থক্য লক্ষ্য কৰা নাছিল। এইটো উল্লেখ কৰা হৈছিল যে ওপৰোক্ত ৰায়টো এটা ৰাজহুৱা ন্যাসৰ গোচৰৰ লগত জড়িত যিয়ে বিশ্ববিদ্যালয়ৰ অন্তৰ্গত এখন মহাবিদ্যালয় চলাই আছে। মহাবিদ্যালয়খন বন্ধ হোৱা আৰু তাৰ পৰিণামস্বৰূপে হোৱা দৰমহা অনাদায়ৰ যি বিবাদ সেয়া প্ৰত্যক্ষভাৱে বিশ্ববিদ্যালয়ৰ অধ্যাদেশত সন্নিৱিষ্ট নিয়ন্ত্ৰণ ব্যৱস্থাৱলীৰ পৰিসৰৰ ভিতৰত পৰে। ইয়াৰোপৰি এইধৰণে যুক্তি প্ৰদৰ্শন কৰা হৈছিল যে–

(ক) প্ৰথম প্ৰতিবাদীয়ে কোনো ৰাজহুৱা কৰ্তব্য সম্পাদন নকৰে;

(খ) ৰামকৃষ্ণ মিছনে স্থাপন কৰা হস্পিতালখনে সম্পূৰ্ণ স্বেচ্ছাসেৱী প্ৰতিষ্ঠান হিচাপে সমাজলৈ সেৱা আগবঢ়ায়;

(গ) হাস্পতালখনৰ কৰ্মচাৰীসকলৰ চাকৰিৰ চৰ্তাৱলী কোনো বিধি বা অধিনিয়মৰ দ্বাৰা পৰিচালিত নহয়, সেয়েহে সম্পূৰ্ণ ব্যক্তিগত সেৱাৰ চুক্তি কাৰ্য্যকৰণৰ ক্ষেত্ৰত কোনো লোক আইনৰ উপাদান প্ৰযোজ্য নহয়; আৰু

পৰৱৰ্তী পৃষ্ঠাত

(ঘ) গতিকে উচ্চ ন্যায়ালয়ৰ বিৰোধিত (impugned) ৰায়ৰ ফলস্বৰূপে ৰামকৃষ্ণ মিছনৰ সকলো কাৰ্য্যপ্ৰণালী সংবিধানৰ ২২৬ নং অনুচ্ছেদ অনুসৰি 'কৰ্তৃপক্ষ' (authority) সংজ্ঞাৰ ভিতৰত পৰে।

এইবোৰ কাৰণত এইটো সজোৰে ক'ব বিচৰা হৈছে যে উচ্চ ন্যায়ালয়ৰ ৰায়টো এই ন্যায়ালয়ৰ পূৰ্বৰ নিদৰ্শনসমূহৰ পৰিপন্থী, যিটো পিছত উল্লেখ কৰিম। ইয়াৰোপৰি জ্যেষ্ঠ অধিবক্তাই যুক্তি দৰ্শাইছিল যে অনুচ্ছেদ ২২৬ অনুসৰি আপীলকাৰীসকল লেখ অধিকাৰক্ষেত্ৰৰ এক্তিয়াৰভুক্ত বুলি উচ্চ ন্যায়ালয়ে অন্তিম সিদ্ধান্তত উপনীত হোৱাৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ক প্ৰভাৱিত কৰা প্ৰতিটো কাৰকে আইনৰ স্থায়ী অৱস্থানৰ পৰিপন্থী।

১৪. আনহাতে, অৰুণাচল চৰকাৰৰ হৈ যুক্তি প্ৰদৰ্শন কৰা অধিবক্তা এ. তিৱাৰীয়ে আমাৰ ইতিমধ্যে দৃষ্টি গোচৰ যোৱা শপতনামাত উল্লেখ থকা তথ্যসমূহক ভিত্তি হিচাপে লয়। তেখেতে উল্লেখ কৰে যে ৰামকৃষ্ণ মিছন হস্পিতাল অৰুণাচল প্ৰদেশৰ একমাত্ৰ হস্পিতাল, সেয়েহে ইয়াৰ একচেটীয়া অৱস্থাৰ কাৰণে অনুচ্ছেদ ২২৬ অনুসৰি ইয়াৰ লেখ অধিকাৰক্ষেত্ৰত এক্তিয়াৰভুক্ত বুলি নিশ্চিতভাৱে ধৰি ল'ব লাগে। ইয়াৰোপৰি এইটো উত্থাপন কৰা হৈছিল যে হাস্পতালখনে ৰাজ্য চৰকাৰৰ পৰা সাহায্য অনুদান লাভ কৰি থাকে। এইটো সজোৰে উত্থাপন কৰা হৈছিল যে অৰুণাচল প্ৰদেশত হাস্পতাল পৰিচালনা কৰা কাৰ্য্যক ৰাজহুৱা কাৰ্য্য বুলি নিশ্চিতভাৱে বিবেচনা কৰিব লাগে, যাৰ ফলস্বৰূপে আপীলকাৰীসকল ২২৬ নং অনুচ্ছেদ অনুসৰি উচ্চ ন্যায়ালয়ৰ অধিকাৰক্ষেত্ৰৰ এক্তিয়াৰভুক্ত হয়।

১৫. ইয়াৰ বিপৰীতে উত্থাপন কৰা যুক্তিসমূহ বিবেচনাৰ যোগ্য।

১৬. ৰামকৃষ্ণ মিছনে ২৬৩ খন বিছনাযুক্ত হস্পিতাল এখন ইটানগৰত চলাই আছে। ৰাজ্য চৰকাৰৰ পৰা পোৱা সাহায্য অনুদানে হস্পিতালখনৰ ২৬৩ খন বিছনাৰ ভিতৰত ৬০ খন বিছনাৰ সাপেক্ষে হোৱা খৰচ বহন কৰে। নথিত অনুদানৰ ধৰণ আৰু পৰিমাণ সম্পৰ্কীয় প্ৰাসংগিক তথ্য সন্নিৱিষ্ট কৰা হৈছে। হাস্পতালখনৰ ২০১৪-১৫ বৰ্ষৰ মুঠ আয়ৰ ৩২.২৬, ২০১৫-১৬ বৰ্ষৰ মুঠ আয়ৰ ২৩.৩৩ আৰু ২০১৬-১৭ বৰ্ষৰ মুঠ আয়ৰ ২২.৫৩ ৰাজ্য চৰকাৰে দিয়া অনুদানৰ পৰা লাভ কৰা। হাস্পতালখনৰ ৰাজহ ব্যয়, হিচাপ নিৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰোৱা উদ্বৃত পত্ৰ আৰু

পৰৱৰ্তী পৃষ্ঠাত

জমা-খৰচৰ হিচাপে এইটো সূচায় যে ২০১৪-১৫ বৰ্ষৰ ব্যয়ৰ ৩৫.২৩, ২০১৫-১৬ বৰ্ষৰ ব্যয়ৰ ২৩.৮৩ আৰু ২০১৬-১৭ বৰ্ষৰ ব্যয়ৰ ২০.৫৭ ব্যয় ৰাজ্য চৰকাৰৰ পৰা পোৱা বিত্তীয় সাহায্যৰ পৰা কৰা হৈছিল।

১৭. সংবিধানৰ ২২৬ নং অনুচ্ছেদ মতে আপীলকাৰীসকলক লেখ অধিকাৰক্ষেত্ৰৰ এক্তিয়াৰভুক্ত হ'ব নে নহয় সেইটো পৰীক্ষা কৰোতে আমি নিম্নলিখিত পৰিস্থিতিসমূহ, যিবোৰ ৰাজ্য চৰকাৰে প্ৰকৃত আৱেদনকাৰীৰ হকে উচ্চ ন্যায়ালয় আৰু এই ন্যায়ালয়ত দাখিল কৰিছে, সেইবোৰৰ ওপৰত নিৰ্ভৰ কৰি আগবাঢ়িমঃ-

(ক) হাস্পতালখনে ইয়াৰ আয়ৰ কিছু অংশ ৰাজ্য চৰকাৰৰ পৰা অনুদান হিচাপে লাভ কৰে।

(খ) হাস্পতালখন নিৰ্মাণ কৰা মাটি ৰাজ্য চৰকাৰে ৰেহাই হাৰত আবন্টন দিছিল।

ইটানগৰস্থিত হাস্পতালখনৰ ২৬৩ খন বিছনাৰ ভিতৰত কেৱল ৬০ খন বিছনা সাপেক্ষে হোৱা ব্যয় ৰাজ্য চৰকাৰৰ পৰা পোৱা অনুদানে সামৰি লয়। তাৎপৰ্য্যপূৰ্ণভাৱে, হাস্পতালখনৰ প্ৰতিদিনৰ কাৰ্য্যপ্ৰণালী ৰাজ্য চৰকাৰে নিয়ন্ত্ৰণ নকৰে। হস্পিতালখন পৰিচালনা সম্পূৰ্ণৰূপে ৰামকৃষ্ণ মিছনৰ ওপৰত ন্যস্ত। যিহেতু হাস্পতালখনৰ আয়ৰ কিছু অংশ ৰাজ্য চৰকাৰৰ পৰা অনুদান হিচাপে লাভ কৰে, সেয়েহে হাস্পতালখনৰ জমা-খৰচৰ হিচাপ হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰোৱাই ৰাজ্য চৰকাৰৰ ওচৰত ইয়াৰ সূক্ষ্মভাৱে পৰীক্ষা কৰাৰ বাবে দাখিল কৰাটো প্ৰয়োজনীয়।

১৮. এই ন্যায়ালয়ৰ মূল বিচাৰ্য্য বিষয় হ'ল যে হস্পিতালখনৰ কাৰ্য্যপ্ৰণালী ৰাজহুৱা সেৱা হয় নে নহয়, যাৰ ওপৰত ভিত্তি কৰি সংবিধানৰ ২২৬ নং অনুচ্ছেদ অনুসৰি 'ম্যাণ্ডামাছ' (উচ্চ/ উচ্চতম আদালতৰ পৰা নিম্ন আদালতলৈ দিয়া হুকুম)ৰ বাবে লেখ আৱেদন দাখিল কৰিব পাৰি।

১৯. হাস্পতালখন ৰামকৃষ্ণ মিছনৰ এটা শাখা আৰু ইয়াৰ নিয়ন্ত্ৰণাধীন। শ্ৰী ৰামকৃষ্ণ পৰমহংসৰ প্ৰধানতম শিষ্য স্বামী বিবেকানন্দই ৰামকৃষ্ণ মিছন স্থাপন কৰিছিল। এই প্ৰতিষ্ঠানৰ নীতি– "আত্মানো মোক্ষৰ্থম জগত হিতায়চ"-ত এইটো প্ৰতিফলিত হৈছে যে মানৱ সেৱা ঈশ্বৰ সেৱাৰ

পৰৱৰ্তী পৃষ্ঠাত

সমতুল্য। ৰামকৃষ্ণ মিছনৰ মূল উদ্দেশ্য হ'ল– জ্ঞান দান দিয়া, বেদসমূহ আৰু শ্ৰী ৰামকৃষ্ণ পৰমহংসদেৱে উপস্থাপন কৰা নীতিসমূহ, যিবোৰে তেওঁৰ নিজৰ জীৱনৰ দ্বাৰা কাৰ্য্য কৰি আগবঢ়ায়, আৰু ইয়াৰ তুলনামূলক ধৰ্মনীতিৰ বিস্তৃতধৰণে সম্প্ৰসাৰণ কৰা। ইয়াৰ আন উদ্দেশ্যসমূহৰ ভিতৰত আছে- বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়, গৱেষণা প্ৰতিষ্ঠান, পুথিভঁৰাল, হাস্পতাল আদি স্থাপন, পৰিচালনা কৰা আৰু সহায়-সহযোগ আগবঢ়োৱাৰ লগতে কোনো ধৰণৰ বাচ-বিচাৰ নকৰাকৈ অৱহেলিত/ অনুন্নত/ জনজাতি বৰ্গৰ লোকসকলৰ উন্নতি আৰু কল্যাণৰ বাবে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰা। এই কাৰ্য্যব্যৱস্থাসমূহ স্ব-ইচ্ছাই কৰা, জনহিতকৰ আৰু অলাভজনক ধৰণৰ। ৰামকৃষ্ণ মিছনৰ নিচিনা এটা অলাভজনক সত্তাই লোৱা এই কাৰ্য্যব্যৱস্থাবোৰ ৰাষ্ট্ৰ এখনে নিজৰ সাৰ্বভৌম শক্তিৰ আধাৰত কৰা কাৰ্য্যৰ সৈতে ওতপ্ৰোতঃভাৱে সম্পৰ্কিত নহয় বা তেওঁলোকে ৰাজহুৱা দায়িত্ব আৰু কৰ্তব্যৰ নিচিনা কৰ্মত অংশগ্ৰহণ নকৰে।

২০. মিছনৰ পৰিচালনা সমিতিখন ৰামকৃষ্ণ মঠৰ ন্যায়ৰক্ষী সমিতিৰ সদস্যসকলৰ দ্বাৰা গঠিত হয় আৰু ইয়াৰ ওপৰত প্ৰতিষ্ঠানটো পৰিচালনা কৰাৰ ক্ষমতা আৰু কৰ্তৃত্ব ন্যস্ত থাকে। পৰিচালনা সমিতিৰ ওপৰত মিছনৰ সম্পত্তি আৰু পুঁজিৰ লগতে ইয়াৰ পৰিচালনাৰ দায়িত্বও ন্যস্ত থাকে। পৰিচালনা সমিতিয়ে নিৰ্বাচিত কৰা যিকোনো ব্যক্তিয়ে মিছনৰ সদস্য হ'ব পাৰে। তালিকাভুক্ত সদস্যসকলে বছৰেকীয়া সাধাৰণ সভাসমূহৰ থুল গঠন কৰে। মিছনৰ কাম-কাজ পৰিচালনা কৰিবৰ বাবে গঠিত হোৱা ব্যৱস্থাপনা সমিতিখন পৰিচালনা সমিতিয়ে নিযুক্তি দিয়া সদস্যৰ দ্বাৰা গঠিত। সাংগঠনিক স্মাৰকলিপি আৰু মিছনৰ নীতি-নিয়ম অনুসৰি মিছনৰ কাৰ্য্যপ্ৰণালী, প্ৰশাসন আৰু দৈনন্দিন কামকাজত চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাথাকে। হাস্পতালৰ কৰ্মচাৰীৰ চাকৰিৰ নিয়মাৱলী মিছনৰ দ্বাৰা সৃষ্ট সেৱাবিধিৰ দ্বাৰা কোনো চৰকাৰী সংস্থাৰ হস্তক্ষেপ নোহোৱাকৈ পৰিচালিত হয়।

২১. আপীলকাৰীসকল সংবিধানৰ ২২৬ নং অনুচ্ছেদ অনুসৰি 'কৰ্তৃপক্ষ'ৰ আওতাত পৰাৰ সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে এই ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে Andi Mukta (পূৰ্বে উল্লিখিত) গোচৰত দিয়া ৰায়ৰ ওপৰত যথেষ্ট পৰিমাণে নিৰ্ভৰ কৰা দেখা গৈছে। Andi Mukta (পূৰ্বে উল্লিখিত) গোচৰটো এনেধৰণৰ যে এক ৰাজহুৱা ন্যাসে এখন মহাবিদ্যালয় চলাই আছিল,

যিথন চৰকাৰী অধিনিয়মৰ দ্বাৰা পৰিচালিত সংস্থা গুজৰাট বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত। বিশ্ববিদ্যালয় আৰু ইয়াৰ অধীনস্থ মহাবিদ্যালয়সমূহৰ শিক্ষকসকলক, বিশেষকৈ তেওঁলোকৰ দৰমহাৰ বিষয়টো, বিশ্ববিদ্যালয় অনুদান আয়োগে দিয়া পৰামৰ্শ সমূহৰ দ্বাৰা পৰিচালিত হয়। বিশ্ববিদ্যালয়ৰ শিক্ষকসকলক প্ৰতিনিধিত্ব কৰা এক সংস্থাই দৰমহাৰ নিৰিখৰ ওপৰত সৃষ্টি কৰা এটা বিবাদ বিশ্ববিদ্যালয়ৰ আচাৰ্য্যই দিয়া ৰায়ৰ বিষয়বস্তু আছিল, আৰু এই ৰায় চৰকাৰ আৰু বিশ্ববিদ্যালয়ে গ্ৰহণ কৰি লৈছিল। সংশিষ্ট মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে আগতীয়া অনুমোদন অবিহনে ইয়াক বন্ধ কৰি দিয়াৰ সিদ্ধান্ত লৈছিল। শিক্ষকসকলে দৰমহা আৰু তেওঁলোকৰ প্ৰাপ্য অন্তিম সা-সুবিধা পৰিচালনা ব্যৱস্থাৱলী অনুসৰি প্ৰাপ্তিৰ বাবে নিজৰ অধিকাৰ কাৰ্য্যকৰীকৰণৰ বাবে উচ্চ ন্যায়ালয়ত এক লেখ আৱেদন দাখিল কৰিছিল। সেইক্ষেত্ৰত, এই ন্যায়ালয়ে এই বিষয়টো বিচাৰ কৰিছিল যে মহাবিদ্যালয়খনৰ পৰিচালনা ব্যৱস্থা লেখ অধিকাৰক্ষেত্ৰৰ এক্তিয়াৰভুক্ত হয় নে নহয়। এই ন্যায়ালয়ক প্ৰভাৱিত কৰা কেইবাটাও কাৰকৰ ভিতৰত তলত উল্লেখ কৰা কাৰকসমূহো আছিল–

(ক) ট্ৰাষ্টে এখন অনুমোদন প্ৰাপ্ত মহাবিদ্যালয় পৰিচালনা কৰি আছিল।

(খ) মহাবিদ্যালয়খনে চৰকাৰী সাহায্য লাভ কৰিছিল।

(গ) শৈক্ষিক প্ৰতিষ্ঠানখনৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰাৰ ক্ষেত্ৰত চৰকাৰী সাহায্যই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

(ঘ) চৰকাৰী প্ৰতিষ্ঠানৰ নিচিনাকৈ সাহায্যপ্ৰাপ্ত প্ৰতিষ্ঠানে ছাত্ৰ-ছাত্ৰীক শিক্ষাদানেৰে ৰাজহুৱা কাৰ্য্য সম্পাদনা কৰিছিল।

(ঙ) সকলো সাহায্যপ্ৰাপ্ত প্ৰতিষ্ঠানসমূহ অনুমোদন কৰা বিশ্ববিদ্যালয়ৰ নীতি-নিয়মৰ দ্বাৰা পৰিচালিত।

(চ) এইবোৰৰ কাৰ্য্যাৱলী বিশ্ববিদ্যালয়ে সূক্ষ্মভাৱে নিৰীক্ষণ কৰে।

পৰৱৰ্তী পৃষ্ঠাত

(ছ) এনেধৰণৰ প্ৰতিষ্ঠানত নিযুক্ত জন বৈশিষ্ট্যবিহীন নহয় আৰু বিশ্ববিদ্যালয়ে লোৱা সকলো সিদ্ধান্তৰ দ্বাৰা পৰিচালিত হয়, যিবোৰ পৰিচালন ব্যৱস্থাৰ বাবে বাধ্যতামূলক।

২২. ওপৰত উল্লিখিত কাৰকসমূহৰ ওপৰত এই ন্যায়ালয়ে এই সিদ্ধান্তত উপনীত হৈছিল যে শিক্ষক-কৰ্মচাৰীসকলৰ চাকৰিৰ নিয়মাৱলী ব্যক্তিগত বৈশিষ্ট্যৰ অংশ নহয়, কিন্তু পৰিচালন ব্যৱস্থাৰ অধিকাৰ আৰু কৰ্মচাৰীসকলৰ কৰ্তব্যৰ যি সম্পৰ্ক তাৰ দ্বাৰা পৰিচালিত হয়। এইটো নিৰ্ধাৰণ কৰা হৈছিল যে কোনো কৰ্তব্যৰ উলংঘন হ'লে ইয়াৰ প্ৰতিকাৰ 'ম্যাণ্ডামাছ' (উচ্চ উচ্চতম আদালতৰ পৰা নিম্ন আদালতলৈ দিয়া হুকুম)ৰ জৰিয়তে পাব পাৰি। "ৰাজহুৱা স্বাৰ্থ খৰ্ব কৰা বিভ্ৰান্তমূলক সংস্থাসমূহৰ দ্ৰুত প্ৰসাৰণক ঠেক গণ্ডীৰ ভিতৰত আবদ্ধ কৰি ৰাখিব নোৱাৰি"- এই বাক্যশাৰীক ন্যায়ালয়ে স্বীকৃতি দিয়াৰ সময়ত তলত উল্লেখ কৰা ব্যতিক্ৰম দুটা উনুকিয়াইছিল, য'ত 'ম্যাণ্ডামাছ' (উচ্চ/ উচ্চতম আদালতৰ পৰা নিম্ন আদালতলৈ দিয়া হুকুম)ৰ জৰিয়তে প্ৰতিকাৰ পাব নোৱাৰি–

> "১৫. যদি অধিকাৰসমূহ সম্পূৰ্ণৰূপে ব্যক্তিগত বৈশিষ্ট্যপূৰ্ণ হয়, তেন্তে কোনো 'ম্যাণ্ডামাছ' (উচ্চ/ উচ্চতম আদালতৰ পৰা নিম্ন আদালতলৈ দিয়া হুকুম) দিব নোৱাৰি। যদি মহাবিদ্যালয়খনৰ পৰিচালন ব্যৱস্থা সম্পূৰ্ণৰূপে ব্যক্তিগত সংস্থাৰ নিচিনা হয় আৰু ইয়াৰ কোনো ৰাজহুৱা দায়িত্ব বা কৰ্তব্য নাথাকে, তেন্তে 'ম্যাণ্ডামাছ' (উচ্চ/ উচ্চতম আদালতৰ পৰা নিম্ন আদালতলৈ দিয়া হুকুম) জাৰি কৰিব নোৱাৰি। এই দুয়োটাই হ'ল 'ম্যাণ্ডামাছ' (উচ্চ উচ্চতম আদালতৰ পৰা নিম্ন আদালতলৈ দিয়া হুকুম)ৰ ব্যতিক্ৰম....।"

২৩. Andi Mukta (Supra) গোচৰত দিয়া সিদ্ধান্তক অনুসৰণ কৰি, এই ন্যায়ালয়ে ইয়াৰ ক্ৰমাগত সিদ্ধান্তসমূহৰ অন্তৰ্নিহিত নীতিসমূহ পুনৰ চোৱাৰ সুবিধা লাভ কৰিছে আৰু এই কাৰ্য্যই কোনবোৰ 'ৰাজহুৱা কৰ্তব্য' আৰু কোনবোৰ 'ৰাজহুৱা কৰ্ম' হয়, সেয়া নিৰ্ণয় কৰিবলৈ এজন ব্যক্তিয়ে নিজৰ ব্যক্তিগত অধিকাৰ সাব্যস্ত কৰিব বিচাৰিলে 'ম্যাণ্ডামাছ' (উচ্চ/ উচ্চতম আদালতৰ

পৰৱৰ্তী পৃষ্ঠাত

পৰা নিম্ন আদালতলৈ দিয়া হুকুম) জাৰি কৰিব পাৰি নে নোৱাৰি, তাক ঠাৱৰ কৰিবলৈ সেই নীতিসমূহে তাৰ উদ্ভাৱনৰ পথ প্ৰশস্ত কৰে।

২৪. VST Industries Ltd. -Vs- Industries Workers' Union গোচৰত এই ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে নিৰ্ধাৰণ কৰে যে কোনো এক পৰিস্থিতিত কৰা কোনো কাৰ্য্যৰ যদি ৰাজহুৱা কৰ্তব্যৰ কোনো বৈশিষ্ট্য নাথাকে, তেন্তে তেনেক্ষেত্ৰত একমাত্ৰ সেৱাৰ চৰ্তাৱলীৰ উলংঘনৰ বাবে অনুচ্ছেদ ২২৬ অনুসৰি লেখ অধিকাৰক্ষেত্ৰ প্ৰয়োগৰ বাবে উপযুক্ত কাৰণ হ'ব নোৱাৰে।

> "৭. ডি. স্মিথ, উফ আৰু জুৱেলৰ প্ৰশাসনিক কাৰ্য্যৰ ন্যায়িক পৰ্য্যালোচনাৰ পঞ্চম সংস্কৰণত এইটো পৰ্য্যবেক্ষণ কৰা হৈছিল যে ব্যক্তিগত সংস্থাৰ সকলো কাৰ্য্য ব্যক্তিগত আইনৰ বিষয় নহয়। উদাহৰণস্বৰূপে, ব্যক্তিগত সংস্থাৰ কাৰ্য্যব্যৱস্থা লোক আইনৰ মানদণ্ডৰে পৰিচালিত হ'ব পাৰে, যেতিয়া ইয়াৰ সিদ্ধান্তসমূহ বিধি প্ৰদত্ত দায়িত্ব বা কৰ্তব্যৰ বিষয়বস্তু হয় বা যেতিয়া এই সংস্থাই কৰা কাৰ্য্যৰ ফলস্বৰূপে হয় বা বজাৰত ইয়াৰ প্ৰভাৱশালী অৱস্থানৰ বাবে হ'ব পাৰে আৰু এইটো ৰাজহুৱা স্বাৰ্থত কৰিবলগা এক অন্তৰ্নিহিত কৰ্তব্য......বিশদ আলোচনাৰ অন্তত, এই বিজ্ঞ লেখকসকলে তলত উল্লিখিত প্ৰস্তাৱবোৰ তেওঁলোকে লোৱা স্থিতিৰ সংক্ষেপে উল্লেখ কৰিছে
>
> (১) ন্যায়িক পৰ্য্যালোচনাৰ আৱৰ্তলৈ কোনো এক সংস্থাক আনিবলৈ, ই ৰাজহুৱা কাৰ্য্য সম্পাদনা কৰি আছে নে নাই, তাৰ পৰীক্ষা কৰিবলৈ সেই সংস্থাৰ ক্ষমতাৰ উৎস বা আপাতঃ দৃষ্টিত সংস্থাটো 'ৰাজহুৱা' নে 'ব্যক্তিগত' তাৰ ওপৰত নিৰ্ভৰ নকৰিবও পাৰে।
>
> (২) প্ৰথম দৃষ্টিত ন্যায়িক পৰ্য্যালোচনাৰ নীতিসমূহে সংস্থাসমূহৰ ৰাজহুৱা কাৰ্য্যসমূহ পৰিচালনা কৰে।
>
> (৩) যদিও সংস্থাই ৰাজহুৱা কাৰ্য্য সম্পাদন কৰি আছে তথাপি তলত দিয়া দুই ধৰণৰ পৰিস্থিতিত ন্যায়িক পৰ্য্যালোচনা সমীচিন নহ'বঃ-

পৰৱৰ্তী পৃষ্ঠাত

(ক) যেতিয়া অইন আইনে পক্ষগণৰ মাজত হোৱা বিবাদ অধিক যথাযথভাৱে নিষ্পত্তি কৰিব পাৰে, তেনেক্ষেত্ৰত সেই আইন আৰু তাৰ প্ৰতিকাৰসমূহ স্বাভাৱিকতে প্ৰয়োগযোগ্য হ'ব আৰু

(খ) যেতিয়া গুচৰীয়া পক্ষগণৰ মাজত কোনো চুক্তি থাকে, তেনেক্ষেত্ৰত স্বাভাৱিকতে চুক্তিত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে প্ৰকাশ পোৱা চৰ্তসমূহৰ ভিত্তিত বিষয়টো বিবেচিত হ'ব লাগে। পক্ষগণৰ মাজত হোৱা লেনদেন আৰু সম্পৰ্ক সাধাৰণ আইনৰ দ্বাৰা বিবেচিত নহৈ পক্ষগণৰ মাজত সম্পাদন হোৱা চুক্তি চৰ্তসমূহৰ দ্বাৰা বিবেচিত হ'ব আৰু ইয়ে ইংৰাজ আইনৰ স্বাভাৱিক পদ্ধতিক প্ৰতিফলিত কৰে। যেতিয়া পক্ষগণে কোনো বিশেষ পদ্ধতিৰ দ্বাৰা (যেনে মধ্যস্থতা অথবা ব্যক্তিগত বা ঘৰুৱা ন্যায়াধিকৰণ) বিবাদ মীমাংসা কৰিবলৈ প্ৰত্যক্ষ বা আৱশ্যকীয় ইংগিতেৰে সন্মত হয়, তেন্তে সেই বিবাদ ন্যায়িক পৰ্য্যালোচনাৰে নিষ্পত্তি নহৈ উক্ত পদ্ধতিৰে নিষ্পত্তি হ'ব লাগে।"

২৫. "জি বাচ্ছি ৰেড্ডি বনাম ইন্টাৰনেশ্যনেল ক্ৰপ ৰিছাৰ্চ ইনষ্টিটিউট"ত অত্ৰ আদালতৰ দুজনীয়া বিচাৰপীঠে অলাভজনক গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰ ইন্টাৰনেশ্যনেল ক্ৰপ ৰিছাৰ্চ ইনষ্টিটিউট ফৰ ছেমি এৰিড ট্ৰপিকছ (ICRISAT)ক অনুচ্ছেদ ২২৬ৰ অধীনত লেখ অধিক্ষেত্ৰৰ ভিতৰত আনিব পাৰি নে নোৱাৰি সেয়া বিবেচনা কৰিছিল। বিবাদটো ICRISAT-ৰ কৰ্মচাৰীক সেৱাৰ পৰা বৰ্খাস্ত সম্পৰ্কত আছিল। আদালতে মত পোষণ কৰে যে মাথোন ৰাষ্ট্ৰই সাৰ্বভৌম ক্ষমতাৰ অধীনত পালন কৰা ৰাজহুৱা কাৰ্য্যৰ অনুৰূপ কাৰ্য্য বা ৰাষ্ট্ৰৰ সেই কাৰ্য্যৰ লগত ঘনিষ্ঠভাৱে সম্পৰ্কীয় কাৰ্য্যই ৰাজহুৱা কাৰ্য্য বা দায়িত্ব হিচাবে পৰিগণিত হ'ব।

"২৮. এজন 'ব্যক্তি'ৰ বিৰুদ্ধে অনুচ্ছেদ ২২৬ৰ অধীনত লেখ দাখিল কৰিব পাৰি যদি ই এটা বিধিবদ্ধ সংস্থা হয় বা ৰাজহুৱা কাৰ্য্য সম্পাদন কৰে বা ৰাজহুৱা বা বিধিবদ্ধ দায়িত্ব সম্পাদন কৰে। .......ICRISAT কোনো বিধিৰ দ্বাৰা স্থাপন হোৱা নাই আৰু ইয়াৰ কাৰ্য্যকলাপ বিধিৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়। যদিও ৰাজহুৱা কাৰ্য্য বা দায়িত্বৰ সংজ্ঞা দিয়া সহজ নহয়, ৰাষ্ট্ৰই সাৰ্বভৌম ক্ষমতাৰ বলত কৰা কাৰ্য্যৰ

পৰৱৰ্তী পৃষ্ঠাত

> অনুৰূপ কাৰ্য্য বা ৰাষ্ট্ৰৰ উক্ত কাৰ্য্যৰ লগত ঘনিষ্ঠভাৱে জড়িত থকা কাৰ্য্য যথোচিতভাৱে ৰাজহুৱা কাৰ্য্য বা দায়িত্ব বুলি ক'ব পাৰি। ICRISAT-ৰ প্ৰাথমিক কাৰ্য্য হৈছে কৃষিক্ষেত্ৰত সম্পূৰ্ণ স্বেচ্ছামূলকভাৱে গৱেষণা কৰোৱা আৰু প্ৰশিক্ষণ দিয়া। স্বেচ্ছামূলকভাৱে হাতত লোৱা কাৰ্য্যক ৰাজহুৱা দায়িত্ব বা কাৰ্য্য বুলি ক'ব নোৱাৰি। তাৰোপৰি ICRISAT-ৰ ভূমিকা ভাৰতবৰ্ষৰ ভূ-সীমাৰ বাহিৰতো আছে আৰু ইয়াৰ কাৰ্য্য-কলাপবোৰ গোটেই পৃথিৱীৰ মানুহৰ হিতৰ বাবে পৰিকল্পিত। ভাৰতবৰ্ষৰ জনগণ ইয়াৰ কাৰ্য্যকলাপৰ হিতাধিকাৰী হ'ব পাৰে কিন্তু ICRISAT-এ ভাৰতবৰ্ষৰ জনগণক গৱেষণা আৰু প্ৰশিক্ষণ দিয়াৰ বাবে দায়বদ্ধ বুলি ক'ব নোৱাৰি।"

ওপৰোক্ত পৰীক্ষা প্ৰয়োগ কৰি ICRISAT-ৰ বিৰুদ্ধে লেখ আৱেদন গ্ৰহণযোগ্য নহ'ব বুলি উচ্চ আদালতে লোৱা সিদ্ধান্ত অত্ৰ আদালতে সমৰ্থন কৰে।

২৬. তেনেধৰণৰ এটা অভিমত 'ৰমেশ আহলুৱালিয়া বনাম ষ্টেট অৱ পাঞ্জাব'ত ধাৰণ কৰা হৈছিল, য'ত অত্ৰ আদালতৰ দুজনীয়া বিচাৰপীঠে মতপোষণ কৰিছিল যে ব্যক্তিগত সংস্থা অনুচ্ছেদ ২২৬ অধীনত লেখ অধিক্ষেত্ৰৰ ভিতৰত আনিব পাৰি যদি উক্ত ব্যক্তিগত সংস্থাই ৰাজহুৱা কাৰ্য্য সম্পাদন কৰে যিবোৰ সাধাৰণতে ৰাষ্ট্ৰ বা ইয়াৰ কৰ্তৃপক্ষৰ দ্বাৰা পালন কৰা হয়।

২৭. 'ফেডাৰেল বেংক লিমিটেড বনাম সাগৰ টমাছ'ত অত্ৰ আদালতে আগৰ ৰায়টো বিশ্লেষণ কৰিছে আৰু যিবোৰ সত্তাৰ বিৰুদ্ধে লেখ আৱেদন আইনমতে চলে তাৰ এক শ্ৰেণীবিভাজন আগবঢ়াইছে।

> "১৮. আগত উল্লেখ কৰা সিদ্ধান্তৰ পৰা এই স্থিতি উৎপন্ন হৈছে যে অনুচ্ছেদ ২২৬ৰ অধীনত লেখ আৱেদনৰ ভিতৰত (১) ৰাষ্ট্ৰ (চৰকাৰ); (২) কৰ্তৃপক্ষ (৩) বিধিবদ্ধ সংস্থা (৪) ৰাষ্ট্ৰৰ অভিকৰণ (৫) চৰকাৰৰ ধনৰ দ্বাৰা পৰিচালিত আৰু চৰকাৰী মালিকীস্বত্বৰ প্ৰতিষ্ঠান (৬) সৰহভাৱে চৰকাৰী ধনেৰে পৰিচালিত ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান (৭) ৰাজহুৱা দায়িত্ব অথবা ৰাজহুৱা ধৰণৰ ধনাত্মক দায়িত্ব প্ৰদান কৰা ব্যক্তিগত সংস্থা আৰু (৮) কোনো বিধিৰ অধীনত কোনো কাৰ্য্য

পৰৱৰ্তী পৃষ্ঠাত

> পালন কৰিবলৈ দায়বদ্ধ থকা কোনো ব্যক্তি বা সংস্থা আৰু বিধিমতে দায়িত্ব পালন কৰিবলৈ বাধ্য কৰাব পৰা ব্যক্তি বা সংস্থাক লেখ আৱেদনৰ ভিতৰত আনিব পৰা যাব পাৰে।"

(জোৰ প্ৰদান কৰা হৈছে)

২৮. 'বিনি লিমিটেড বনাম ভি. সদাশিৱন'ত অত্ৰ আদালতৰ দুজনীয়া বিচাৰপীঠে ৰাজহুৱা আৰু ব্যক্তিগত কাৰ্য্যৰ মাজত থকা পাৰ্থক্য নিৰ্ধাৰণ কৰিছিল। উক্ত বিচাৰপীঠে মত পোষণ কৰিছিল যেঃ-

> "১. ৰাজহুৱা আৰু ব্যক্তিগত কাৰ্য্যৰ মাজত ৰেখা অংকন কৰাটো কঠিন যদি উক্ত কাৰ্য্য সম্পূৰ্ণ ব্যক্তিগত কৰ্তৃপক্ষৰ দ্বাৰা সম্পাদন কৰা হয়। যদি কোনো সংস্থাই ৰাইজৰ বা একাংশ ৰাইজৰ যৌথ হিতৰ উদ্দেশ্যে কোনো কাৰ্য্য সম্পাদন কৰে আৰু ৰাইজে বা উক্ত একাংশ ৰাইজে সংস্থাই সেই কাৰ্য্য কৰাৰ কৰ্তৃত্ব আছে বুলি মানি লয়, তেন্তে সেই সংস্থাই ৰাজহুৱা কাৰ্য্য কৰি আছে। গতিকে সংস্থাই যদি ৰাজহুৱা স্বাৰ্থত সামাজিক আৰু অৰ্থনৈতিক কামকাজত হস্তক্ষেপ বা অংশগ্ৰহণ কৰে, তেন্তে সংস্থাই ৰাজহুৱা কাৰ্য্য কৰে।"

উক্ত বিচাৰপীঠে 'ম্যাণ্ডামাছ' (উচ্চ উচ্চতম আদালতৰ পৰা নিম্ন আদালতক দিয়া হুকুম)ৰ পৰিসৰ নিৰ্ধাৰণ স্পষ্ট কৰেঃ

> "৯. যিয়েই নহওক, ম্যাণ্ডামাছ (উচ্চ উচ্চতম আদালতৰ পৰা নিম্ন আদালতক দিয়া হুকুম)ৰ পৰিসৰ ৰাজহুৱা কৰ্তব্য বলৱৎকৰণতে সীমিত। ম্যাণ্ডামাছ (উচ্চ উচ্চতম আদালতৰ পৰা নিম্ন আদালতক দিয়া হুকুম)ৰ পৰিসৰ নিৰ্ধাৰণ কৰা হয় পালন কৰিবলগীয়া দায়িত্বৰ প্ৰকৃতিৰ ওপৰত, যাৰ বিৰুদ্ধে উক্ত হুকুম বিচৰা হয়, তাৰ পৰিচয়ৰ ওপৰত নহয়। যদি কোনো ব্যক্তিগত সংস্থাই ৰাজহুৱা কাৰ্য্য সম্পাদন কৰে আৰু যদি অধিকাৰৰ অস্বীকাৰ সেই সংস্থাৰ ওপৰত ন্যস্ত কৰা ৰাজহুৱা দায়িত্বৰ লগত সংযুক্ত থাকে, তেন্তে আইনৰ অধীনত প্ৰতিকাৰ সাব্যস্ত

পৰৱৰ্তী পৃষ্ঠাত

কৰিব পাৰি। সংস্থাৰ ওপৰত ন্যস্ত উক্ত দায়িত্ব বিধিবদ্ধ বা অন্যথা হ'ব পাৰে ক্ষমতাৰ উৎস প্ৰাসংগিক নহয়। কিন্তু তথাপি তেনে কাৰ্য্যত ৰাজহুৱা আইনৰ উপাদান থাকিব লাগিব। ৰাজহুৱা কৰ্তৃপক্ষ বা ৰাজহুৱা কাৰ্য্যৰ কোনো সাধাৰণ সংজ্ঞা থাকিব নোৱাৰে।"

(জোৰ প্ৰদান কৰা হৈছে)

২৯. সম্প্ৰতি 'কে. কে. ছাক্সেনা বনাম ইন্টাৰনেশ্যনেল কমিছন অন ইৰিগেশ্যন এণ্ড ড্ৰেইনেজ'ত অত্ৰ আদালতৰ আন এখন দুজনীয়া বিচাৰপীঠে মতপোষণ কৰিছিল যে ব্যক্তিগত আইনে প্ৰদান কৰা অধিকাৰ বলৱৎ কৰাবলৈ লেখ আৱেদন গ্ৰহণযোগ্য নহ'ব। ফলস্বৰূপে, যদিও কোনো সংস্থাই ৰাজহুৱা দায়িত্ব সম্পাদন কৰি আছে আৰু লেখ আৱেদনৰ এক্তিয়াৰভুক্ত হয়, সংস্থাৰ সকলো সিদ্ধান্ত ন্যায়িক পৰ্য্যালোচনাৰ অধীন নহ'ব। আদালতে মতপোষণ কৰেঃ-

"৪৩. অত্ৰ আদালতৰ ওপৰোক্ত ৰায়ৰ পুংখানুপুংখ আৰু যত্নসাধ্য পঠনৰ পৰা দেখা যায় যে যদি কোনো ব্যক্তি বা সংস্থা সংবিধানৰ অনুচ্ছেদ ১২ মতে 'ৰাষ্ট্ৰ' হয়, তেন্তে স্বাভাৱিকতে তেনে ব্যক্তি বা সংস্থাৰ বিৰুদ্ধে অনুচ্ছেদ ২২৬ মতে লেখ আৱেদন গ্ৰহণযোগ্য হ'ব। যিয়েই নহওঁক, আমি আৰু যুক্ত কৰিব বিচাৰো যে তেনে ক্ষেত্ৰতো ব্যক্তিগত আইনৰ অধীনত প্ৰাপ্ত অধিকাৰ সাব্যস্ত কৰিবলৈ লেখ আৱেদন গ্ৰহণযোগ্য নহ'ব। এই সংক্ৰান্তত বহুতো ৰায় আছে আৰু সেইবোৰৰ প্ৰসংগ লোৱাৰ দৰকাৰ নাই, কাৰণ সেইটো প্ৰশাসনিক আইনৰ অধীনত হোৱা মোকৰ্দমাৰ ক্ষেত্ৰতহে ন্যায়িক পৰ্য্যালোচনাৰ মৌলিক নীতি। কাৰণটো স্পষ্ট। ব্যক্তিগত আইন হৈছে ন্যায়িক প্ৰক্ৰিয়াৰ সাৰ্বজনীন আইনৰ অংশ যিবোৰ ব্যক্তিৰ ব্যক্তিগত সম্পৰ্কৰ লগত জড়িত যেনে চুক্তি বা ব্যক্তিগত অন্যায় ক্ষতি। গতিকে যদিও সংবিধানৰ অনুচ্ছেদ ১২ মতে 'ৰাষ্ট্ৰ' বুলি গণ্য হোৱা কোনো কৰ্তৃপক্ষৰ বিৰুদ্ধে লেখ আৱেদন গ্ৰহণযোগ্য হয়, হুকুম বিশেষকৈ 'ম্যাণ্ডামাছ' (উচ্চ উচ্চতম আদালতৰ পৰা নিম্ন আদালতক দিয়া হুকুম) পাৰিত কৰাৰ আগতে আদালতে এইটো নিশ্চিত

পৰৱৰ্তী পৃষ্ঠাত

> কৰিব লাগিব যে উক্ত কৰ্তৃপক্ষ যাৰ বিৰুদ্ধে লেখ আৱেদন দাখিল কৰা হৈছে, সেয়া ৰাজহুৱা আইনৰ অধীনতহে পৰে, ব্যক্তিগত আইনৰ অধীন নহয়।”

গতিকে বহল অৰ্থত যদিও কোনো সংস্থাই ৰাজহুৱা কাৰ্য্য সম্পাদন কৰে, সেৱা প্ৰদানৰ ব্যক্তিগত চুক্তিত বলৱৎ কৰিবলৈ কোনো ৰাজহুৱা আইনৰ উপাদান নাথাকে।

৩০. অৰুণাচল প্ৰদেশ চৰকাৰে নিৰ্ভৰ কৰা পৰিস্থিতিসমূহ বিশ্লেষণ কৰি আমি এই মতত উপনীত হৈছো যে ৰামকৃষ্ণ মিছন হাস্পতাল পৰিচালনা কৰাটো ৰাজহুৱা কাৰ্য্য সম্পাদন কৰা নহয়। নিশ্চয় হাস্পতালখন কিছু পৰিমাণে অনুদান প্ৰাপ্ত হৈছে। হাস্পতালখনে পোৱা অনুদানে ইয়াৰ আংশিক খৰচহে পূৰণ কৰে। অনুদানৰ চৰ্তসমূহে হাস্পতাল পৰিচালনাত বা ইয়াৰ দৈনন্দিন কাৰ্য্যত চৰকাৰৰ নিয়ন্ত্ৰণ নুসূচায়। হাস্পতাল সম্পৰ্কীয় কাৰ্য্য-কলাপকে ধৰি ৰামকৃষ্ণ মিছন হাস্পতালৰ সেৱাৰ প্ৰকৃতি ধৰণ সম্পূৰ্ণভাৱে স্বেচ্ছামূলক।

৩১. কোনো সংস্থাই ৰাজহুৱা কাৰ্য্য সম্পাদনা কৰে বুলি পৰিগণিত হোৱাৰ আগতে সংস্থাৰ কাৰ্য্যসমূহৰ প্ৰকৃতি ৰাষ্ট্ৰ সাৰ্বভৌম ক্ষমতাৰ অধীনত সম্পাদনা কৰা কাৰ্য্যৰ প্ৰকৃতিৰ লগত সাদৃশ্য থাকিব লাগিব। হস্পিতালৰ কৰ্মৰাজি আৰু ৰাষ্ট্ৰীয়/ চৰকাৰী কৰ্তৃপক্ষই সম্পাদনা কৰা কাৰ্য্যৰ মাজত সাদৃশ্য আছে বুলি নথিত থকা কোনো তথ্যই নুসূচায়। চৰকাৰী আৰু ব্যক্তিগত সত্তাই স্বাস্থ্য সেৱা আগবঢ়ায়। ৰাজহুৱা কৰ্তৃপক্ষ হিচাবে সংস্থাৰ ধৰণ বিষয়বস্তুৰ পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে। হাস্পতাল স্থাপনৰ যোগেদি মিছনে (ৰামকৃষ মিছনে) ৰাজহুৱা কাৰ্য্যভাৰ ধাৰণ কৰিছে বুলি ক’ব নোৱাৰি। হাস্পতালৰ আইনে প্ৰদান কৰা একাধিপত্য অৱস্থা নাই। ৰাজ্যখনত উক্ত সত্তাই প্ৰথমে এক বিশেষ ধৰণৰ সেৱা প্ৰদান কৰাটো ইয়াক/ উক্ত সত্তাক অনুচ্ছেদ ২২৬ অধীনত ‘কৰ্তৃপক্ষ’ৰ স্থান নিদিয়ে। ৰাজ্য চৰকাৰে বিভিন্ন সংস্থাক ৰাজ্যখনত সংস্থাৰ প্ৰতিষ্ঠান স্থাপন কৰাৰ বাবে আকৰ্ষিত কৰিবলৈ সুবিধামূলক চৰ্ত দিয়ে। সেইবোৰক ৰাজ্য চৰকাৰে সামাজিক নীতিৰ পৰিপূৰক বা উন্নতিৰ সূচক হিচাবে উদ্ধনি যোগাব পাৰে। অকল ৰেহাই ভিত্তিত হাস্পতালক ভূমি প্ৰদান কৰা হৈছে বাবে হাস্পতালে ৰাজহুৱা কাৰ্য্য সম্পাদন কৰা বুলি ঠিৰাং কৰিব নোৱাৰি। হাস্পতাল ৰাজহুৱা কৰ্তৃপক্ষৰ পৰিধিৰ ভিতৰত নপৰে বুলি আমি সিদ্ধান্ত লোৱাত হাস্পতাল পৰিচালনাত চৰকাৰী নিয়ন্ত্ৰণৰ অভাৱে এক তাৎপৰ্য্যপূৰ্ণ প্ৰভাৱ পেলাইছে।

পৰৱৰ্তী পৃষ্ঠাত

৩২.     আমাৰ আগত যুক্তি দৰ্শোৱা হৈছে যে ‘ক্লিনকেল এষ্টাব্লিছমেণ্ট (ৰেজিষ্টেশ্যন এণ্ড ৰেগুলশ্যেন) এক্ট, ২০১০ৰ নিয়ন্ত্রণৰ চৰ্তাধীন। হাস্পতালৰ উক্ত নিয়ন্ত্রণে হাস্পতালক বিধিবদ্ধ সংস্থাত পৰিণত কৰে নে? ব্যক্তি আৰু ব্যক্তিগত সংস্থা আইনৰ অধীনত বিভিন্ন ধৰণৰ বাধ্য-বাধকতাৰ অন্তৰ্গত। আইন হৈছে সৰ্বব্যাপী ব্যৱস্থা। জন্ম পঞ্জীয়নৰ পৰা মৃত্যু পঞ্জীয়নলৈকে ব্যক্তিগত জীৱনৰ বিভিন্ন দিশত আইনে বহুত বাধ্যবাধকতা আৰোপ কৰে। আৰম্ভণিৰ পৰা শেষলৈকে ব্যৱসায় বাণিজ্য আইনৰ লগত সংগতি ৰাখি কৰিব লাগে। কিন্তু সেয়াই প্ৰত্যেক সত্তা বা কাৰ্য্যক অনুচ্ছেদ ২২৬ মতে ‘কৰ্তৃপক্ষ’ত পৰিণত নকৰে। সংবিধিৰ দ্বাৰা নিয়ন্ত্রণে হাস্পতালখনক সংবিধিৰ দ্বাৰা স্থাপিত সংস্থাত পৰিণত নকৰে। বৰ্তমান সময়ত ব্যক্তি আৰু সংস্থাৰ সকলো কাৰ্য্য বিধিবদ্ধ আৱশ্যকতাৰ চৰ্তাধীন আৰু অকল সেইটোৱে ব্যক্তি বা সংস্থাই ৰাজহুৱা কাৰ্য্য সম্পাদন কৰে নে নাই তাৰ নিৰ্ণায়ক হ’ব নোৱাৰে। বেংকিং ৰেগুলেশ্যন এক্ট, ১৯৪৯ অধীনত নিয়ন্ত্রিত এটা ব্যক্তিগত খণ্ডৰ বেংক ৰাজহুৱা কাৰ্য্য সম্পাদন কৰে নে নকৰে সেৱা নিৰ্ধাৰণ কৰোতে ‘ফেডাৰেল বেংক’ (একে উৎসৰ পৰা উদ্ধৃত)ত অত্ৰ আদালতে এনেধৰণে মতপোষণ কৰিছিলঃ-

> “৩৩. ..... আমাৰ মতে অনুসূচিত বেংক হিচাবে বেংক ব্যৱসায় কৰা এটা ব্যক্তিগত বাণিজ্যিক প্ৰতিষ্ঠানক সংবিধিবদ্ধ বা ৰাজহুৱা কাৰ্য্য সম্পাদন কৰে বুলি ক’ব নোৱাৰি। যেতিয়া কোনো ব্যক্তি বা সংস্থাক সংবিধিবদ্ধ দায়বদ্ধতা বা ৰাজহুৱা ধৰণৰ ধনাত্মক দায়বদ্ধতা পালন কৰিবলৈ বাধ্য কৰাৰ প্ৰয়োজন হয়, তেতিয়াহে কোনো ব্যক্তি বা সংস্থা লেখ ক্ষেত্ৰাধিকাৰৰ এক্তিয়াৰভুক্ত হয়। বাণিজ্যিক কাৰ্য্য সম্পাদনা কৰা ব্যক্তিগত বাণিজ্যিক প্ৰতিষ্ঠানে তেনে কোনো চৰ্ত পূৰণ কৰে বুলি আমি পোৱা নাই। ব্যক্তিগত প্ৰতিষ্ঠানৰ কাৰ্য্যকলাপক অনুশাসনৰ ভিতৰত হোৱাটো নিশ্চিত কৰিবলৈ নিয়ন্ত্রক বিধানে প্ৰতিষ্ঠানক সংস্থাক তেনে কোনো মৰ্যাদাও নিদিয়ে আৰু সংবিধানৰ অনুচ্ছেদ ২২৬ অধীনত লেখৰ জৰিয়তে পালন কৰাবলগীয়া বাধ্যবাধকতাও অৰ্পণ নকৰে। অত্ৰ মোকৰ্দমা হৈছে আপীলকাৰী বেংকে ইয়াৰ কৰ্মচাৰীৰ বিপক্ষে লোৱা অনুশাসনমূলক কাৰ্য্য। বেংকৰ কাৰ্য্যক উত্তৰবাদীয়ে সংবিধানৰ অনুচ্ছেদ ২২৬ৰ অধীনত লেখ আৱেদন দাখিল

> কৰি প্ৰত্যাহ্বান জনাইছিল। উত্তৰবাদীয়ে বেংকৰ তৰফৰ পৰা কোনো সংবিধিবদ্ধ কাৰ্য্য বলৱৎ কৰাবলৈ কোনো চেষ্টা কৰা নাই.......।”

(জোৰ প্ৰদান কৰা হৈছে)

৩৩. চুক্তি সংবিধিবদ্ধ আইনৰ অধীনত সম্পাদন হৈছে, এই যুক্তিত সম্পূৰ্ণ ব্যক্তিগত ধৰণৰ চুক্তি লেখ ক্ষেত্ৰাধিকাৰৰ এক্তিয়াৰভুক্ত নহয়। অত্ৰ নীতিৰ একমাত্ৰ ব্যতিক্ৰমৰ উৎপত্তি হয় যেতিয়া সেৱাৰ চুক্তি সংবিধিবদ্ধ বিধানৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। উদাহৰণস্বৰূপে ‘কে. কে. ছাক্সেনা’ (একে উৎসৰ পৰা উদ্ধৃত)ত অত্ৰ আদালতে মত পোষণ কৰে যে যদি কোনো কৰ্মচাৰী ‘ইণ্ডাষ্ট্ৰিয়েল ডিছপিউট এক্ট, ১৯৪৭’ৰ দ্বাৰা নিয়ন্ত্ৰিত হয়, এই স্থিতি ব্যক্তিগত সেৱাৰ চুক্তি নিৰ্দিষ্টভাৱে বলৱৎ কৰাব পৰা নাযায় বুলি থকা সাধাৰণ নীতিৰ ব্যতিক্ৰম ঘটায়।

৩৪. ইয়াতে উল্লেখ কৰা তাৎপৰ্য যে সুবিধা আৰু সেৱাৰ ন্যূনতম মানদণ্ড নিৰ্ধাৰণ কৰা উদ্দেশ্যে স্বাস্থ্যসেৱামূলক প্ৰতিষ্ঠানটোৰ পঞ্জীয়ন আৰু নিয়ন্ত্ৰণৰ বাবে আইনখন প্ৰণয়ন কৰা হৈছিল। আইনখনে আন আন দিশৰ লগতে স্বাস্থ্য সেৱামূলক প্ৰতিষ্ঠানৰ পঞ্জীয়নৰ বাবে পূৰণ কৰিবলগীয়া চৰ্তসমূহ নিৰ্ধাৰণ কৰি দিছে। যিয়েই নহওঁক, আইনখনে হাস্পতাল আৰু ইয়াৰ কৰ্মচাৰীৰ মাজত সেৱা সংক্ৰান্তে সম্পাদন হোৱা চুক্তি নিয়ন্ত্ৰণ নকৰে। এইবোৰ সম্পূৰ্ণ ব্যক্তিগত চুক্তিৰ পৰিধিত পৰে, যাক লেখ ক্ষেত্ৰাধিকাৰৰ এক্তিয়াৰভুক্ত কৰিব নোৱাৰি। অত্ৰ পাৰ্থক্যৰ মৰ্যাদা ৰক্ষা কৰিব লাগিব।

৩৫. ওপৰোক্ত কাৰণবোৰৰ কাৰণে আমি এই মতত উপনীত হৈছো যে সংবিধানৰ অনুচ্ছেদ ২২৬ মতে ‘কৰ্তৃপক্ষ’ হিচাবে আপীলকাৰী উক্ত অনুচ্ছেদৰ অধীনত লেখ ক্ষেত্ৰাধিকাৰৰ এক্তিয়াৰভুক্ত হয় বুলি উচ্চ আদালতৰ খণ্ড বিচাৰপীঠে সিদ্ধান্ত লোৱা যুক্তিযুক্ত হোৱা নাই।

৩৬. আমি ওপৰত উল্লেখ কৰা কাৰণবোৰৰ বাবে এই মতত উপনীত হৈছো যে ৰামকৃষ্ণ মিছন আৰু হাস্পতাল, দুয়োটাৰ এটাও সংবিধানৰ অনুচ্ছেদ ২২৬ৰ অৰ্থৰ ভিতৰত ‘কৰ্তৃপক্ষ’ত নপৰে।

৩৭. সামৰণি মৰাৰ আগতে এইটো মন কৰা প্ৰয়োজন যে এজনীয়া বিচাৰপীঠে আপীলকাৰীসকল অনুচ্ছেদ ১২ অধীনত ‘ৰাষ্ট্ৰ’ হয় বুলি সিদ্ধান্তত উপনীত হৈছিল, কিন্তু খণ্ড

পৰৱৰ্তী পৃষ্ঠাত

বিচাৰপীঠে উক্ত কথন মানি লোৱা নাছিল। আগতে আমাৰ দৃষ্টিগোচৰ হোৱাৰ দৰে, খণ্ড বিচাৰপীঠে আপীলকাৰীসকল অনুচ্ছেদ ১২ৰ ব্যাখ্যা মতে ‘ৰাষ্ট্ৰ’ নহ’ব বুলি সিদ্ধান্তত উপনীত হৈছিল আৰু অৰুণাচল প্ৰদেশ চৰকাৰে এই সিদ্ধান্তক আমাৰ আগত প্ৰত্যাহ্বান জনোৱা নাই।

৩৮. ইয়াৰ অন্যথাও আমি স্পষ্টভাৱে এই মতত উপনীত হৈছো যে অত্ৰ আদালতে ‘অজয় হাছিয়া বনাম খালিত মুজিব শেৰহাবৰ্দি’, ‘প্ৰদীপ কুমাৰ বিশ্বাস বনাম ইণ্ডিয়ান ইনষ্টিটিউট অৱ কেমিকেল বায়োলজি’ আৰু ‘জত্য পাল সিং বনাম ভাৰত যুক্তৰাজ্য’ত ‘কৰ্তৃপক্ষ’ৰ সংক্ৰান্তত যি পৰীক্ষাৰ অৱতাৰণা কৰিছিল, সেয়া দৃষ্টিত ৰাখি আপীলকাৰীসকল ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ১২ অৰ্থৰ অধীনত ৰাষ্ট্ৰ নহয় বুলি উচ্চ ন্যায়ালয়ে লোৱা সিদ্ধান্তক আমি সমৰ্থন কৰো।

৩৯. ওপৰোক্ত কাৰণবোৰৰ বাবে আমি অত্ৰ আপীল মঞ্জুৰ কৰো আৰু লেখ আৱেদন নং ২৫ (এ.পি./২০১৭)ত উচ্চ ন্যায়ালয়ৰ ০৬.০৪.২০১৮ তাৰিখৰ হুকুম আৰু ৰায় খাৰিজ কৰো। ফলস্বৰূপে উচ্চ ন্যায়ালয়ত দাখিল কৰা লেখ আৱেদন (দেৱানী) নং ২৫(এ.পি./২০১৭) খাৰিজ হ’ল। খৰচ সম্পৰ্কত কোনো হুকুম দিয়া নহ’ল।

৪০. যদি কোনো আৱেদন বিচাৰাধীন হৈ আছে, সেয়া নিষ্পত্তি হোৱা বুলি গণ্য হ’ব।

(ড° ধনঞ্জয় ৱাই চন্দ্ৰচূড়)

ন্যায়াধীশ

(হেমন্ত গুপ্তা)

ন্যায়াধীশ

নতুন দিল্লী

ফেব্ৰুৱাৰী ২৮, ২০১৯

পৰৱৰ্তী পৃষ্ঠাত

কাৰ্য্যক্ৰমণিকা নম্বৰ ১ খণ্ড নং- ১৪

আদালত নম্বৰ- ১২

ভাৰতৰ উচ্চতম ন্যায়ালয়

আদালতৰ কাৰ্যবিৱৰণী পঞ্জী

বিশেষ অনুমতি আৱেদন (দেৱানী) পঞ্জী নং- ৩০৯২৪/২০১৮

(গুৱাহাটী উচ্চ ন্যায়ালয়, ইটানগৰ লেখ আৱেদন নং ২৫/২০১৭ত ০৬/০৪/২০১৮ তাৰিখে দিয়া বিৰোধিত (Impunged) চূড়ান্ত ৰায় ও হুকুমৰ পৰা উদ্ভৱ)

ৰামকৃষ্ণ মিছন ও অন্যান্য

--- আপীলকাৰীগণ আৱেদনকাৰী

-বনাম-

কাগো কুন্যা ও অন্যান্য

--- প্ৰতিপক্ষগণ

তাৰিখঃ ২৮/০২/২০১৯ অত্ৰ আৱেদন আজি শুনানিৰ কাৰণে লোৱা হ’ল।

উপস্থিতঃ

মহামান্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়

মহামান্য ন্যায়াধীশ হেমন্ত গুপ্তা

আৱেদনকাৰীগণৰ পক্ষে- অভিষেক মনু সিংভী, জ্যেষ্ঠ অধিবক্তা

কে. ভি. বিশ্বনাথন, জ্যেষ্ঠ অধিবক্তা

পৰৱৰ্তী পৃষ্ঠাত

অৰিজিত মজুমদাৰ, অধিবক্তা

অৰুণাভ দেৱ, অধিবক্তা

শম্বো নন্দী, অধিবক্তা

অভিনাভ মুখাৰ্জী, এ. ও. আৰ.

দীপন কুমাৰ সৰকাৰ, অধিবক্তা

প্ৰতিপক্ষগণৰ পক্ষে-

এ. তিৱাৰী, অধিবক্তা

এলিজা বাৰ, অধিবক্তা

শ্ৰী পল সিং, এ. ও. আৰ.

প্ৰিয়ংকা দাস, অধিবক্তা

বিভু শংকৰ মিশ্ৰ, অধিবক্তা

ৰাগনি পাণ্ডে, অধিবক্তা

ৰাজ বাহাদুৰ, অধিবক্তা

অনিল কাতিয়াৰ, এ. ও. আৰ.

দুয়োপক্ষৰ অধিবক্তাসকলক শুনাৰ পিছত আদালতে তলত উল্লেখ কৰা হুকুমসমূহ জাৰি কৰে।

অনুমতি মঞ্জুৰ কৰা হ’ল।

স্বাক্ষৰিত প্ৰকাশিত হ’বলগীয়া হুকুমৰ ভিত্তিত এই আপীল মঞ্জুৰ কৰা হ’ল।

যদি কোনো বিচাৰাধীন আৱেদন আছে, সেয়া নিষ্পত্তি হোৱা বুলি গণ্য হ’ব।

পৰৱৰ্তী পৃষ্ঠাত

(মনীষ শেঠী) (সৰোজ কুমাৰ গৌৰ)

কোৰ্ট মাষ্টাৰ (এছ. এইচ) শাখা বিষয়া

(স্বাক্ষৰিত প্ৰকাশিত হ'বলগীয়া আদেশ ফাইলত ৰখা হ'ল)

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্যক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ সম্পাদনা আৰু কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।)